১১ ঃ নমুনা ভিত্তিক অধ্যয়ণ পদ্ধতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ নমুনাভিত্তিক অধ্যয়ন ঃ অর্থ আৰু সংজ্ঞা
১১.৩.১ নমুনাভিত্তিক অধ্যয়ন পদ্ধতি ঃ উদ্দেশ্য আৰু বৈশিষ্ট্য
১১.৩.২ নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰ প্ৰকাৰ
১১.৪ নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰ পদক্ষেপসমূহ
১১.৫ নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰ বাবে তথ্য সংগ্ৰহৰ উৎস
১১.৬ নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা
১১.৭ নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰ সুবিধাসমূহ
১১.৮ নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰ অসুবিধাসমূহ
১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.১০ অধিক জানিবলৈ
১১.১১ অগ্ৰগতিৰ খতিয়ান
১১.১২ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গৱেষণা চলাই নিয়াৰ নমুনাভিত্তিক অধ্যায়ন পদ্ধতিটোৰ কথা বুজি পাব
- এই পদ্ধতিৰ জৰিয়তে কোনো এক সমসাময়িক পৰিঘটনা সম্পৰ্কে প্ৰত্যক্ষ অনুসন্ধান কৰাৰ উপায় ব্যাখ্যা কৰিব পাৰিব

১১.২ পৰিচয়

গৱেষণাৰ ক্ষেত্ৰত নমুনা ভিত্তিক অধ্যয়নে যিকোনো পৰিঘটনা সেয়া লাগিলে কোনো ব্যক্তি, সংস্থা, সম্প্ৰদায় অথবা কোনো ঘটনা বা সংস্কৃতিয়েই হওক তাৰ গভীৰতালৈ সোমাই অধ্যয়ন কৰে। এই পদ্ধতি পৰিসাংখিক বা পৰিমাণাত্মক পদ্ধতিৰ সৈতে সাদৃশ্য নাই। এই অধ্যয়ণত কম সংখ্যক একক গভীৰ আৰু সুক্ষ্ম অন্তঃদৃষ্টিৰে বিস্তৃতভাৱে অধ্যয়ন কৰা হয়। কম সংখ্যক একক সম্পূৰ্ণভাৱে অধ্যয়ণ কৰাটোৱেই ইয়াৰ উদ্দেশ্য। ইংৰাজ দাৰ্শনিক ফ্ৰেডেৰিক লেপলেই এই পদ্ধতিৰ প্ৰথমবাৰলৈ আৱিষ্কাৰ কৰিছিল।

পৰৱৰ্তী সময়ত এই পদ্ধতিক হাৰ্বাৰ্ট স্পেনছাৰ, হিলে, মিটচেল আদি সমাজ বিজ্ঞানী তথা গৱেষক সকলেওঁ ব্যৱহাৰ কৰিছিল।

বর্তমান সমাজতত্ত্ববিদ, ৰাজনৈতিক বিজ্ঞানী, নৃতত্ত্ববিদ, মনোৰোগ বিশেষজ্ঞ আৰু নৃ-গোষ্ঠীয় গৱেষকসকলে নিজৰ গৱেষণাত নমুনা ভিত্তিক অধ্যয়ন পদ্ধতিৰ ব্যৱহাৰ কৰে। এইখিনিতে মনকৰিবলগীয়া যে নমুনা ভিত্তিক অধ্যয়ন তথ্য সংগ্রহৰ পদ্ধতি নহয় বৰঞ্চ গৱেষণাৰ এই কৌশল অথবা বিভিন্ন সাক্ষ্যপ্রমাণ উৎস ব্যৱহাৰেৰে কৰা সামগ্রিক তদন্ত।

১১.৩ নমুনাভিত্তিক অধ্যয়ন ঃ অর্থ আৰু সংজ্ঞা

সৰল ভাষাত নমুনা ভিত্তিক অধ্যয়ন হৈছে যিকোনো বিষয়ৰ গভীৰতালৈ সোমাই কৰা অধ্যয়ন। এই পদ্ধতিৰ জৰিয়তে গৱেষণাৰ এক বৃহৎ ক্ষেত্রক সংকুচিত কৰি গৱেষণাৰ বাবে সুবিধাজনক পৰিসৰলৈ অনা হয়। বিষয় অধ্যয়নে গৱেষণাৰ বিষয়বস্তুৰ আচৰণৰ আঁৰৰ কাৰণ আৰু পাৰিপার্শ্বিকতাৰ সৈতে ইয়াৰ সম্পর্ক নির্ধাৰণ কৰে। এই অধ্যয়ণৰ দ্বাৰা এটা এককৰ প্রকৃতি, চৰিত্র অথাৎ আচৰণ পদ্ধতিক বিশেষভাৱে অধ্যয়ণ কৰে।

পি ভি ইয়ঙৰ মতে, নমুনা ভিত্তিক অধ্যয়ন হৈছে এক সামাজিক সমূহৰ সামগ্রিক অধ্যয়ন, এই গোট কোনো ব্যক্তি, ব্যক্তিৰ সমূহ, কোনো সংস্থা, এটা সমূদায় অথবা এটা পৰিয়ালো হ'ব পাৰে। অথাৎ এটা সামাজিক এককৰ জীৱন গভীৰ আৰু সামগ্রিকভাৱে গভীৰভাৱে অধ্যয়ণ কৰি তথ্য উদঘাটন আৰু বিশ্লেষণ কৰা পদ্ধতিটোৱেই নমুনাভিত্তিক অধ্যয়ণ।

ক্রমৰে'ৰ মতে, নমুনা ভিত্তিক অধ্যয়নত ব্যক্তিগত বিষয়ৰ অধ্যয়ন কৰা হয়, সাধাৰণতে এয়া প্রাকৃতিক পৰিবেশত এক দীঘলীয়া পৰিবেশত কৰা হয়।

গুডে এক হাটৰ মতে, এক সামাজিক সমূহৰ জীৱনৰ গভীৰতালৈ সোমাই বিশ্লেষণ কৰা পদ্ধতিয়ে হৈছে বিষয় অধ্যয়ন। অর্থাৎ তেখেতৰ মতে ই এনে এক গৱেষণা পদ্ধতি, যিটোৱে এটা একক সম্পূর্ণ ৰূপে বিবেচনা কৰে।

গতিকে আমি ক'ব পাৰো যে বিষয় অধ্যয়ন হৈছে এনে এটা পদ্ধতি যাৰ দ্বাৰা বিভিন্ন উদ্দেশ্য পূৰণ কৰা হয় যেনে-এটা পৰিস্থিতিৰ বিৱৰণ, সন্ধান আৰু বর্ণনা কৰাৰ লগতে এটা সূত্র নির্ধাৰণ।

১১.৩.১ নমুনাভিত্তিক অধ্যয়ন পদ্ধতি ঃ উদ্দেশ্য আৰু বৈশিষ্ট্য

- **নমুনা ভিত্তিক অধ্যয়নৰ উদ্দেশ্যসমূহ-**
- নমুনা ভিত্তিক অধ্যয়নৰ সর্বপ্রথম উদ্দেশ্য হৈছে কোনো এটা একক গোটৰ আচৰণগত পদ্ধতিৰ লগতে পাৰিপার্শ্বিকতাৰ সৈতে ইয়াৰ সম্পর্ক বিশ্লেষণ কৰা।
- নমুনা ভিত্তিক অধ্যয়নৰ আন এক গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে ইয়াৰ জৰিয়তে ভৰিষ্যতৰ বাবে এক বিস্তৃত গৱেষণাৰ ভেঁটি গঢ়ি তোলা হয়। গতিকে নমুনা ভিত্তিক অধ্যয়নক তদন্তৰ প্রাথমিক প্রকাৰ আখ্যা দিব পাৰি।
- পৰিমাণগত অধ্যয়নৰ ক্ষেত্রত হাইপ'থেছিছ গঢ়ি তোলাৰ লগতে গৱেষণাৰ প্রশ্ন নির্ধাৰণ কৰে নমুনা ভিত্তিক অধ্যয়নে।

- গৱেষণাত সাধাৰণীকৰণ নস্যাৎ কৰিবলৈ গৱেষকে নমুনা ভিত্তিক অধ্যয়ন পদ্ধতি গ্ৰহণ কৰে।
- নমুনা ভিত্তিক অধ্যয়নৰ আন এক উদ্দেশ্য হৈছে কোনো দিশৰ পৰিমাণগত অধ্যয়ন কৰিব পাৰি নে নোৱাৰি সেয়া নির্ধাৰণ কৰা।
- নমুনা ভিত্তিক অধ্যয়নে এক নির্দিষ্ট পৰিস্থিতিৰ ভিতৰলৈ সোমাই ইয়াৰ বিৱৰণ দিয়ে।

➢ **নমুনা ভিত্তিক অধ্যয়নৰ বৈশিষ্ট্যসমূহঃ**

- নমুনা ভিত্তিক অধ্যয়নত এটা ক্ষুদ্ৰ সমূহৰ অধ্যয়ন কৰা হয়।
- ইয়াত সমূহৰ কেতবোৰ নির্দিষ্ট চলক অথবা দিশৰ পৰিৱৰ্তে এক সামগ্ৰিক অধ্যয়ন কৰা হয়।
- নমুনা ভিত্তিক অধ্যয়ন গুণগত অথবা পৰিমাণগত হ'ব পাৰে।
- এই পদ্ধতিত প্ৰতিটো সমূহক অধ্যয়নৰ একোটাকৈ একক বুলি গ্ৰহণ কৰা হয়।
- নমুনা ভিত্তিক অধ্যয়নত এক দীঘলীয়া সময়সীমাক সামৰি লোৱা হয়।
- এই পদ্ধতিত বিষয়টো অর্থাৎ এককটো হৈছে তদন্তৰ কেন্দ্ৰ বা মূল।

১১.৩.২ নমুনা ভিত্তিক অধ্যয়নৰ প্ৰকাৰ

বিৱৰ্তনৰ বিভিন্ন উদ্দেশ্যৰে গৱেষকে বিভিন্ন ধৰনৰ নমুনা ভিত্তিক অধ্যয়ন পদ্ধতি গ্ৰহণ কৰি আহিছে। ইয়াৰে কেতবোৰ তলত বিশ্লেষণ কৰা হ'ল।

➢ **স্বাভাৱিক বিষয় অধ্যয়ন ঃ** যিকোনো বিষয় বা একক (ব্যক্তি, সমূহ, বিভাগ, সম্প্ৰদায়) অধ্যয়নৰ ক্ষেত্ৰত যেতিয়া তদন্তৰ প্ৰাথমিক স্বাৰ্থ বিষয়টো হয় তাক স্বাভাৱিক নমুনা ভিত্তিক অধ্যয়ন কোৱা হয়। উদাহৰণস্বৰূপে কোনো এটা সংগঠনত নতুন নীতি আৰোপৰ মূল্যায়ন।

➢ **সহায়ক নমুনা ভিত্তিক অধ্যয়ন ঃ** এইধৰনৰ গৱেষণাত গৱেষকে কোনো এটা প্ৰশ্নৰে গৱেষণা আৰম্ভ কৰে আৰু নিজৰ বিশ্লেষণক সৰলীকৰণ কৰা অথবা দৃঢ়তা প্ৰদান কৰা এটা বিষয়ৰ সহায় লয়। গতিকে আমি ক'ৱ পাৰো যে সহায়ক নমুনা ভিত্তিক অধ্যয়নৰ ক্ষেত্ৰত সাধাৰণভাবে বিষয় হৈছে এক প্ৰাথমিক কৌশল যাৰদ্বাৰা ভৱিষ্যতৰ গৱেষণাৰ বাট মুকলি হয়। উদাহৰণস্বৰূপে মহিলা আৰু খাদ্যাভ্যাসৰ ক্ষেত্ৰত আগ্ৰহী এজন গৱেষকে মধ্যবয়সীয়া মহিলাসকলৰ খাদ্যত থকা কেলছিয়ামৰ পৰিমাণ সন্দৰ্ভত গৱেষণা কৰিব পাৰে। এইক্ষেত্ৰত মহিলাসকল বা খাদ্যাভ্যাস কেন্দ্ৰ নহয় ইয়াত গৱেষণাৰ প্ৰধান কেন্দ্ৰ হৈছে মহিলা আৰু খাদ্যৰ সম্পৰ্ক আৰু কিয় একাংশ মহিলাৰ হাড়বোৰ দুৰ্বল তাৰ কাৰণ নির্ধাৰণ।

➢ **পাইলট অধ্যয়ন ঃ** এক বৃহৎ পৰিসৰৰ গৱেষণা কৰাৰ আগত কেতিয়াবা গৱেষকে আগতীয়াকৈ কিছুমান আৱশ্যকীয় তথ্য জনাৰ বাবে গৱেষণা কৰি লয়। ইয়াক পাইলট বা অনুসন্ধানমূলক নমুনা ভিত্তিক অধ্যয়ন বুলি কোৱা হয়। এইধৰনৰ গৱেষণাৰ প্ৰধান

উদ্দেশ্য হৈছে গৱেষণাৰ মূল প্ৰশ্ন নিৰ্ধাৰণ আৰু পৰিমাপৰ পদ্ধতি নিৰ্বাচন। পাইলট অধ্যয়ণে এটা গৱেষণা কাৰ্য্য ৰূপায়নৰ সাজু হোৱাত যথেষ্ট সহায় কৰে।

- **সঞ্চয়গত নমুনা ভিত্তিক অধ্যয়ন ঃ** সঞ্চয়গত বিষয় অধ্যয়নত পূৰ্বে তথ্য সংগ্ৰহ কৰা একেটা বিষয়ৰ সন্দৰ্ভত গৱেষকে নতুনকৈ তথ্য সংগ্ৰহ কৰে। ইয়াৰ দ্বাৰা পূৰ্বৰ তথ্যৰ ভিত্তিত গৱেষকে তথ্যৰ সাধাৰণীকৰণত সুবিধা লাভ কৰে। এই পদ্ধতিৰ জৰিয়তে ধন, সময় আৰু শক্তি তিনিওটাৰে সঞ্চয় হয়।
- **উদাহৰণমূলক নমুনা ভিত্তিক অধ্যয়ন ঃ** এইধৰনৰ বিষয় অধ্যয়ন বৰ্ণনামূলক হয়। এইধৰনৰ গৱেষণাত একেধৰনৰ ঘটনাৰ এটা বা দুটা উদাহৰণ লৈ এটা সাম্প্ৰতিক পৰিস্থিতি ব্যাখ্যা কৰা হয়। এই পদ্ধতিয়ে গৱেষণা ক্ষেত্ৰৰ সৈতে গৱেষকক একাত্ম হোৱাৰ সুযোগ প্ৰদান কৰে।
- **ঐতিহাসিক নমুনা ভিত্তিক অধ্যয়ন ঃ** ঐতিহাসিক বিষয় অধ্যয়ন ৰেক'ৰ্ডিং, নথি-পত্ৰ আৰু সাক্ষাৎকাৰৰ ওপৰত নিৰ্ভৰশীল। এইধৰনৰ অধ্যয়নত কোনো ব্যক্তি, সংগঠন অথবা ব্যৱস্থাৰ সময়ৰ সোঁতৰ সৈতে তাল মিলাই অধ্যয়ন কৰা হয়। উদাহৰণস্বৰূপে কোনো এটা ৰাজনৈতিক দল গঠন হোৱা দিনৰ পৰা ক্ষমতাত অধিষ্ঠিত হোৱালৈ অধ্যয়ন।
- **পৰিস্থিতিগত নমুনা ভিত্তিক অধ্যয়ন ঃ** পৰিস্থিতিগত অধ্যয়নত এটা ঘটনা বা পৰিস্থিতিৰ অধ্যয়ন কৰা হয়। ঘটনাটোত অংশ লোৱা প্ৰতিজনক বিচাৰি আনি তেওঁলোকৰ মতামত ৰেক'ৰ্ড কৰা হয়। ইয়াৰদ্বাৰা গৱেষকে পৰিস্থিতিক সামগ্ৰিকভাৱে বুজি উঠাৰ লগতে ইয়াক বিশ্লেষণ কৰিব পাৰে। উদাহৰণস্বৰূপে কোনো কাৰখানাত শ্ৰমিকৰ ধৰ্মঘটৰ কাৰণ নিৰ্ধাৰণ। ইয়াত পৰিচালনামণ্ডলী, অংশ লোৱা শ্ৰমিক আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ অহা আৰক্ষীৰ লোকৰ সাক্ষাৎকাৰ গ্ৰহণ কৰা হয়।

১১.৪ নমুনা ভিত্তিক অধ্যয়নৰ পদক্ষেপসমূহ

এটা ভাল বিষয় তথা নমুনা বা একক অধ্যয়নত তলত উল্লেখ কৰা পদক্ষেপসমূহ গ্ৰহণ কৰা হয় ঃ

- **পদক্ষেপ ১ ঃ বিষয় বা নমুনা নিৰ্বাচন ঃ** গৱেষকে কেনেধৰনৰ গৱেষণা কৰিব তাৰ ওপৰতহে নমুনা ভিত্তিক অধ্যয়ন কৰা নকৰাটো নিৰ্ভৰ কৰে। যদি বিষয় অধ্যয়ন লাগে তেনেহ'লে গৱেষকে অধ্যয়নৰ মূল উদ্দেশ্য নিৰ্ধাৰণ কৰিব লাগিব। কোনো এটা নমুনাৰ নিৰ্বাচন নিৰ্ভৰ কৰে সেই নমুনা অধ্যয়ন ভৱিষ্যতৰ তদন্তত সহায়ক হ'ব পৰাকৈ সাধাৰণ পৰ্যায়ৰ অধ্যয়ন নে ইয়াৰ দ্বাৰা এটা নিৰ্দিষ্ট সমস্যা সমাধান কৰিব বিচৰা হৈছে।
- **পদক্ষেপ ২ ঃ তথ্য সংগ্ৰহ ঃ** নমুনাভিত্তিক নিৰ্বাচন কৰাৰ পিছত নমুনাটোৰ জৰিয়তে গৱেষকে তথ্য সংগ্ৰহৰ প্ৰস্তুতি চলায়। ইয়াত গৱেষকে নানা ধৰনৰ পদ্ধতি ব্যৱহাৰ কৰিব পাৰে যেনে ব্যক্তিগত সাক্ষাৎকাৰ, ৰেক'ৰ্ড আৰু সাক্ষাৎকাৰৰ জৰীপ আদি। এই ব্যৱস্থাত সাধাৰণতে তথ্য সংগ্ৰহৰ পৰিমাণগত পদ্ধতি ব্যৱহাৰ কৰা হয়।

- **পদক্ষেপ ৩ ঃ প্রাথমিক তথ্য বিশ্লেষণ ঃ** নমুনা ভিত্তিক অধ্যয়নৰ তৃতীয় পদক্ষেপ হৈছে নমুনাটোৰ জৰিয়তে সংগ্রহ কৰা প্রাথমিক তথ্য প্রণালীৱদ্ধভাবে বিশ্লেষণ কৰা। ইয়াৰ দ্বাৰা গৱেষকে অধিক গুৰুত্বপূর্ণ প্রশ্ন উত্থাপন কৰিব পৰা হোৱাৰ লগতে প্রয়োজনীয় হাইপ'থেছিছ সৃষ্টিটো সহায় লাভ কৰে।
- **পদক্ষেপ ৪ ঃ নমুনাৰ বিস্তৃত অধ্যয়ন ঃ** গুৰুত্বপূর্ণ প্রশ্নসমূহ চিনাক্ত কৰাৰ লগতে হাইপ'থেছিছ সৃষ্টিৰ পিছত গৱেষকে বিষয়টোৰ গভীৰভাৱে অধ্যয়ন কৰে। ইয়াত গৱেষকে দীঘলীয়া পর্যৱেক্ষণ আৰু আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সাক্ষাৎকাৰৰ সহায় লয়। সন্তোষজনক ফলাফল লাভ নকৰা পর্যন্ত গৱেষকে তদন্ত অব্যাহত ৰাখে।
- **পদক্ষেপ ৫ ঃ পৰৱর্তী পর্যায়ৰ অনুসন্ধান ঃ** সংগৃহ কৰা তথ্যৰ বিশ্বাসযোগ্যতা নিশ্চিত কৰিবলৈ গৱেষকে পর্যৱেক্ষণ আৰু সাক্ষাৎকাৰ প্রক্রিয়াৰ পুনৰাবৃত্তি ঘটায় আৰু যেতিয়াই য'ত প্রয়োজন হয় প্রশ্ন উত্থাপন কৰে। এই পুনৰাবৃত্তিয়ে তেওঁক নিশ্চিত আৰু নির্ভৰযোগ্য সমাপ্তিত উপনীত হোৱাত সহায় কৰে।
- **পদক্ষেপ ৬ ঃ প্রাপ্ত তথ্যৰ সাধাৰণীকৰণ ঃ** বিষয়ৰ সামৰণিৰ জৰিয়তে গৱেষকে সংগ্রহ আৰু বিশ্লেষণ কৰা তথ্যৰ এক সাধাৰণীকৰণ নিশ্চিত কৰে। এটা সামগ্রিক আওতালৈ অহাৰ পিছত গৱেষকে নিজৰ তদন্তৰ এখন স্পষ্ট ছবি লাভ কৰাৰ লগতে সামৰণিৰ বাবে এক বুজাবুজিত উপনীত হয়।

১১.৫ নমুনাভিত্তিক অধ্যয়নৰ বাবে তথ্য সংগ্রহৰ উৎস

নমুনা ভিত্তিক অধ্যয়ন পদ্ধতিৰ বাবে গৱেষকে প্রাথমিক আৰু গৌণ, এই দুইধৰনৰ তথ্য সংগ্রহৰ পদ্ধতিয়ে ব্যৱহাৰ কৰে। গৌণ তথ্য সংগ্রহৰ বাবে গৱেষকে বিভিন্ন কিতাপ-পত্র, আলোচনী, বাতৰি কাকত, চৰকাৰী প্রতিবেদন, সাংগঠনিক বৈঠক আদি বহুধৰনৰ উৎস ব্যৱহাৰ কৰে। সাধাৰণতে এনেধৰনৰ উৎসৰ দ্বাৰা কোনো ঘটনা বা বিষয় নিদিষ্টকৈ জনাত সহায় হোৱাৰ ওপৰিও সময়ৰ সৈতে হোৱা ইয়াৰপৰিৱর্তনৰ বিষয়ে জানিব পৰা যায়। প্রাথমিক তথ্য সংগ্রহৰ বাবে বিষয় সংগ্রহত প্রধানকৈ দুটা পদ্ধতি ব্যৱহাৰ কৰা হয়-সাক্ষাৎকাৰ আৰু পর্যৱেক্ষণ। এইসমূহ তলত আলোচনা কৰা হ'ল-

- **সাক্ষাৎকাৰ-** নমুনা ভিত্তিক অধ্যয়নৰ প্রাথমিক তথ্য সংগ্রহৰ আটাইতকৈ সৰল পদ্ধতিটোৱে হৈছে তথ্য সংগ্রহ। বেছিভাগ সময়ত দেখা যায় যে সাক্ষাৎকাৰ লোৱাজনে নমুনা অধ্যয়নৰ ক্ষেত্রত এক অসংগঠিত সাক্ষাৎকাৰ পদ্ধতি নির্বাচন কৰে। ইয়াৰ কাৰণ হৈছে অসংগঠিত সাক্ষাৎকাৰত মুক্ত পৰিসৰৰ প্রশ্নসমূহে আলোচনাৰ গভীৰতালৈ সোমোৱাত সহায় কৰে আৰু ইয়াৰ দ্বাৰা সমস্যাটোৰ এক স্পষ্ট ছবি পোৱা যায়।
- **পর্যৱেক্ষণ-** নমুনা ভিত্তিক অধ্যয়নত, পর্যৱেক্ষণ পদ্ধতি দুইধৰণে প্রয়োগ কৰিব পাৰি- এটা অংশগ্রহণ কৰি আৰু আনটো অংশগ্রহণ নকৰাকৈ। এই দুইটা পদ্ধতিয়ে গৱেষকক বাহিৰৰ পৰা সত্যতা নিৰ্দ্ধপন কৰাত সহায় কৰে।

১১.৬ নমুনাভিত্তিক অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা

গুণসম্পন্ন গৱেষণাৰ বাবে নমুনাভিত্তিক অধ্যয়ন হৈছে অতি গুৰুত্বপূৰ্ণ মাধ্যম। এয়া হৈছে গৱেষণাৰ এনে এক কৌশল যিটো তদন্তৰ প্ৰাথমিক স্তৰত ব্যৱহাৰ কৰা হয়। এই ব্যৱস্থাৰ দ্বাৰা গৱেষকে নিজৰ গৱেষণাৰ বিষয়ে ভালদৰে বুজাৰ লগতে গৱেষণা আগবঢ়াই নিবলৈ প্ৰয়োজনীয় হাইপ'থেছিছ সৃষ্টিত সহায় লাভ কৰে।

যিকোনো ব্যক্তি, সমূহ, ঘটনা বা সমুদায়ৰ বিষয়ে গভীৰ জ্ঞান আহৰণত নমুনা ভিত্তিক অধ্যয়নে গুৰুত্ব প্ৰদান কৰে। ইয়াৰ দ্বাৰা এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এক নিৰ্দিষ্ট বিষয়ৰ ক্ৰিয়াৰ আঁৰৰ কাৰণ নিৰ্ধাৰণ কৰিবলৈ চেষ্টা চলোৱা হয়। আন্যধৰনৰ পৰীক্ষাৰে কোনো এটা বিষয়ৰ ওপৰত এনেধৰনৰ বিস্তৃত তথ্য লাভ কৰা সম্ভ ৱ নহয়। বিভিন্ন সময়ত গৱেষকে এনেধৰনৰ অগতানুগতিক বিষয়ৰ সন্দৰ্ভত নমুনাভিত্তিক অধ্যয়ন পদ্ধতিৰে অধ্যয়ন কৰে, যিবোৰ বিষয়ক আন পদ্ধতিৰে অধ্যয়ন কৰা সম্ভৱ নহয়। উদাহৰণস্বৰূপে কৈশোৰজনিত অপৰাধ বা মহিলাসকলৰ মাজত ড্ৰাগছ আসক্তিৰ বিষয়ে অধ্যয়ন। এনেধৰনৰ বিষয়সমূহৰ বিষয়বস্তু অতিশয় স্পৰ্শকাতৰ আৰু ব্যক্তিগত হোৱাৰ বাবে সাৱধানতাৰে পৰ্যৱেক্ষণৰ জৰিয়তে আগবাঢ়িবলগীয়া হয়। গতিকে আমি ক'ব পাৰো যে এই পদ্ধতিৰ জৰিয়তে সাধাৰণতে গৱেষকে অনৈতিক বিষয়সমূহও অধ্যয়ন কৰিব পৰা যায়।

কোনো সমস্যাক বাস্তৱিক আকাৰ প্ৰদান কৰাটো হৈছে নমুনাভিত্তিক অধ্যয়নৰ আন এক গুৰুত্ব পূৰ্ণ দিশ। গৱেষকে ইয়াৰ দ্বাৰা বুজিব পাৰে যে তেওঁৰ গৱেষণা ক্ষেত্ৰক সম্পূৰ্ণৰূপত সূত্ৰৰ গণ্ডীৰে বান্ধিব নোৱাৰি আৰু এক গভীৰ অধ্যয়নৰ জৰিয়তেহে প্ৰকৃত সমস্যাৰ বাস্তৱসন্মত সমাধান লাভ কৰিব পৰা যায়।

নমুনাভিত্তিক অধ্যয়নে গৱেষকক নিজৰ গৱেষণাৰ সমস্যাৰ সৈতে জৰিত হোৱাৰ সুযোগ প্ৰদান কৰে। এয়া হৈছে গভীৰতালৈ সোমাই কৰা বিশ্লেষণ আৰু ইয়াৰদ্বাৰা গৱেষকে এক বিষয়ৰ সৰলীকৰণ কৰি ইয়াৰ পটভূমি বুজিবলৈ সক্ষম হয়। এটা ভাল নমুনা অধ্যয়ন এটা ভাল কাহিনীৰ দৰে আৰম্ভ হয়। ইয়াৰদ্বাৰা গৱেষকে অতীত আৰু বৰ্তমানৰ বিষয়ে জনাৰ লগতে কোনো এটা ঘটনাৰ কি, কেনেকৈ, কিয় আৰু কেতিয়াসমূহ জানি ব পাৰে। ইয়াৰ সহায়ত গৱেষকে নিৰ্দিষ্ট নমুনাৰ আচৰণগত প্ৰণালী বিশ্লেষণ কৰিব পাৰে।

গতিকে আমি ক'ব পাৰো যে নমুনাভিত্তিক অধ্যয়ন পদ্ধতিয়ে এক জটিল বিষয়ৰ অনুসন্ধানেৰে ইয়াৰ সৰলীকৰণ কৰি বুজি উঠাত সহায় কৰে। যেতিয়াই কোনো দিশত সামগ্ৰিক আৰু গভীৰ অনুসন্ধানৰ প্ৰয়োজন তেতিয়াই নমুনা ভিত্তিক অধ্যয়ন অতি দৰকাৰী।

১১.৭ নমুনাভিত্তিক অধ্যয়নৰ সুবিধাসমূহ

- নমুনা ভিত্তিক অধ্যয়ন হৈছে কোনো এটা সমূহৰ গভীৰতালৈ সোমাই কৰা অধ্যয়ন যাৰ জৰিয়তে এজন গৱেষকে এটা পৰিঘটনাৰ বিষয়ে সামগ্ৰিক আৰু গভীৰ জ্ঞান আহৰণ কৰিব পাৰে।

- নমুনাভিত্তিক অধ্যয়নে গৱেষকক বাস্তৱ জীৱনৰ সৈতে মুখামুখি হোৱাত সহায় কৰে। আন পদ্ধতিৰে এই কাম কৰিব পৰা নাযায়। গতিকে আমি ক'ব পাৰো যে নমুনাভিত্তিক অধ্যয়নে জটিল বিষয়ক সৰল কৰাত সহায় কৰে।
- নমুনা ভিত্তিক অধ্যয়নৰ দ্বাৰা কোনো এটা সামাজিক সমূহৰ ধাৰাবাহিক বিশ্লেষণ কৰি প্রকৃত সত্যৰ উদ্‌ঘাটন কৰিব পৰা যায়।
- এনে অধ্যয়ণত একক বোৰক সুক্ষ্মভাৱে অধ্যয়ণ কৰি সচেতন ভাৱে বিশ্লেষণ কৰা হয়। এনে বিশ্লেষণে সিদ্ধন্ত এটা আৰোপ কৰাত সহায় কৰে। সেয়ে গৱেষণা ক্ষেত্রৰ হাইপ'থেছিছ গঠনত নমুনাভিত্তিক অধ্যয়ন অতিশয় গুৰুত্বপূর্ণ।
- নমুনাভিত্তিক অধ্যয়নে গৱেষকক অধ্যয়নৰ সময়ত সংগ্রহ কৰা বিভিন্ন তথ্যৰ তুলনা কৰাত সহায় কৰে।
- এই অধ্যয়নে গৱেষণাৰ তথ্য সংগ্রহৰ ক্ষেত্রত গৱেষকৰ বিশ্লেষণাত্মক চিন্তা, মত বিনিময়ৰ কৌশল, সহ্যগুণ আৰু যুক্তিসংগত চিন্তা কৰিব পৰা গুণ বৃদ্ধি কৰে।
- যিকোনো নির্দিষ্ট সামাজিক পৰিঘটনাৰ ক্ষেত্রত গৱেষকৰ জ্ঞান বৃদ্ধি কৰাত নমুনাভিত্তিক অধ্যয়ণে সহায় কৰে।
- নমুনাভিত্তিক অধ্যয়ন হৈছে গৱেষণাৰ দিশত ব্যৱহাৰ হোৱা এক সামগ্রিক পদ্ধতি। নমুনাভিত্তিক অধ্যয়নে নির্বাচিত বিষয়ৰ বিস্তৃতি বুজাত সহায় কৰে।
- নমুনাভিত্তিক অধ্যয়নে গৱেষকক প্রশ্নাৱলী প্রস্তুত কৰাত আৰু সাক্ষাৎকাৰৰ সূচী নির্ধাৰণ কৰাত সহায় কৰে।

১১.৮ নমুনাভিত্তক অধ্যয়নৰ অসুবিধাসমূহ

- সকলোধৰনৰ গৱেষণাত এই পদ্ধতি ব্যৱহাৰ কৰিব পৰা নাযায়।
- নমুনাভিত্তিক অধ্যয়নত এটা সমূহক অর্থাৎ একক সামূহিক প্রতিনিধি বিবেচনা কৰি অধ্যয়ন কৰা হয়। সেইবাবে এনেধৰনৰ নমুনাৰ সাধাৰণীকৰ সদায় শুদ্ধ নহয়।
- অংশগ্রহণকাৰীৰ সৈতে গভীৰ সম্পর্ক গঢ়ি উঠাৰ ফলত নমুনা অধ্যয়ন কৰোতে গৱেষক এক সামগ্রিক দৃষ্টিভংগীৰ চিকাৰ হ'ব পাৰে।
- গৱেষণাৰ বাবে সহজ আৰু সুবিধাজনক পদ্ধতি নহয়। এজন সাধাৰণ মানুহৰ পক্ষে নির্বাচিত নমুনা অধ্যয়ন কৰা সহজ নহয়।
- নমুনাভিত্তিক অধ্যয়ন হৈছে তথ্য সংগ্রহৰ এক সময়খৰছী মাধ্যম। সেইবাবে কম সময়ৰ গৱেষণাত এই পদ্ধতি গ্রহণযোগ্য নহয়।
- ইয়াত এটা বিষয়ক সংকুচিত কৰি অর্থাৎ নিদিষ্ট নমুনা লৈ অধ্যয়ন কৰাৰ ফলত কোনো এটা সামাজিক সমূহৰ অধ্যয়নত পক্ষপাতিত্ব আহি পৰিব পাৰে।
- নমুনাভিত্তিক অধ্যয়ন পদ্ধতিত অংশগ্রহণকাৰী আৰু গৱেষক উভয়ৰে স্মৃতিভ্রংশ আৰু যুক্তিগত ভুল হ'ব পাৰে।

- বিষয় অধ্যয়নৰ পৰা কোনো এক নির্দিষ্ট কাৰণ অথবা প্রভাৱ নির্ধাৰণ কৰা অতি কঠিন।



১১.৯ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গৱেষণাত নমুনাভিত্তিক অধ্যয়ন পদ্ধতি কি?

.....

.....

.....

প্রশ্ন নং ২ ঃ গৱেষণাত নমুনাভিত্তিক অধ্যয়ন পদ্ধতি কোনে প্রৱর্তন কৰিছিল?

.....

.....

.....

প্রশ্ন নং ৩ ঃ নমুনাভিত্তিক অধ্যয়নৰ এটা সংজ্ঞা উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ নমুনাভিত্তিক অধ্যয়নৰ চাৰিটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৫ ঃ নমুনাভিত্তিক অধ্যয়নৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....



১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সৰল ভাষাত নমুনাভিত্তিক অধ্যয়ন হৈছে যিকোনো বিষয়ৰ গভীৰতালৈ সোমাই কৰা অধ্যয়ন। আৰু ই মূলত নির্বাচিত বিষয়ৰ নমুনাহে অধ্যয়ণ কৰে।
- ইংৰাজ দার্শনিক ফ্রেডেৰিক লেপলেই এই পদ্ধতিৰ প্রথমবাৰলৈ আৱিষ্কাৰ কৰিছিল। পৰৱর্তী সময়ত এই পদ্ধতিক হার্বার্ট স্পেনছাৰ. হিলে, মিটচেল আদি সমাজ গৱেষকে নিজৰ কামত খটুবাইছিল।
- মনকৰিবলগীয়া যে নমুনাভিত্তিক অধ্যয়ন তথ্য সংগ্রহৰ পদ্ধতি নহয় বৰঞ্চ গৱেষণাৰ

এই কৌশল অথবা বিভিন্ন সাক্ষ্যপ্রমাণ উৎস ব্যৱহাৰেৰে কৰা সামগ্রিক তদন্ত।

- এই পদ্ধতিৰ জৰিয়তে গৱেষণাৰ এক বৃহৎ ক্ষেত্রক সংকুচিত কৰি গৱেষণাৰ বাবে সুবিধাজনক পৰিসৰলৈ অনা হয়।
- ক্রমৰে'ৰ মতে, নমুনাভিত্তিক অধ্যয়নত ব্যক্তিগত বিষয়ৰ অধ্যয়ন কৰা হয়, সাধাৰণতে এয়া প্রাকৃতিক পৰিবেশত এক দীঘলীয়া পৰিবেশত কৰা হয়।
- নমুনাভিত্তিক অধ্যয়ন হৈছে এনে এটা পদ্ধতি যাৰ দ্বাৰা বিভিন্ন উদ্দেশ্য পূৰণ কৰা হয় যেনে-এটা পৰিস্থিতিৰ বিৱৰণ, সন্ধান আৰু বর্ণনা কৰাৰ লগতে এটা সূত্র নির্ধাৰণ।
- নমুনাভিত্তিক অধ্যয়নৰ সর্বপ্রথম উদ্দেশ্য হৈছে কোনো এটা একক গোটৰ আচৰণগত পদ্ধতিৰ লগতে পাৰিপার্শ্বিকতাৰ সৈতে ইয়াৰ সম্পর্ক বিশ্লেষণ কৰা।
- নমুনাভিত্তিক অধ্যয়নে এক নির্দিষ্ট পৰিস্থিতিৰ বিষয়ে অনুসন্ধান চলাই ইয়াৰ বর্ণনা আৰু ব্যাখ্যা কৰে।
- এই পদ্ধতিৰ জৰিয়তে কোনো বিষয়ৰ নমুনা সামগ্রিক অধ্যয়ন কৰা হয়।
- ইয়াত বিষয়টোৱে হৈছে অনুসন্ধানৰ মূল বা কেন্দ্র।
- বিৱর্তনৰ বিভিন্ন উদ্দেশ্যৰে গৱেষকে বিভিন্ন ধৰনৰ নমুনাভিত্তিক অধ্যয়ন পদ্ধতি গ্রহণ কৰি আহিছে। এইবোৰ হৈছে-স্বাভাৱিক নমুনাভিত্তিকঅধ্যয়ন, গৌণ নমুনাভিত্তিকঅধ্যয়ন, পাইলট বিষয় অধ্যয়ন, সঞ্চয়গত নমুনাভিত্তিক অধ্যয়ন, উদাহ ৰণমূলক নমুনাভিত্তিক অধ্যয়ন, ঐতিহাসিক নমুনাভিত্তিক অধ্যয়ন, পৰিস্থিতিগত নমুনাভিত্তিক অধ্যয়ন।
- বিষয় নির্বাচন, তথ্য সংগ্রহ, তথ্যৰ প্রাথমিক বিশ্লেষণ, বিষয়ৰ গভীৰতালৈ সোমাই কৰা অধ্যয়ন, পৰৱর্তী সময়ৰ অধ্যয়ন, লাভ কৰা তথ্যৰ সাধাৰণীকৰণ, এইসমূহ হৈছে এনে পদক্ষেপ যাৰদ্বাৰা গৱেষকে এক ভাল নমুনাভিত্তিক অধ্যয়ন কৰিব পাৰে।
- নমুনাভিত্তিক অধ্যয়নত গৱেষকে প্রাথমিক আৰু গোণ দুইধৰনৰ তথ্য ব্যৱহাৰ কৰে।
- গৌণ তথ্য সংগ্রহৰ বাবে গৱেষকে বিভিন্ন কিতাপ-পত্র, আলোচনী, বাতৰি কাকত, চৰকাৰী প্রতিবেদন, সাংগঠনিক বৈঠক আদি বহুধৰনৰ উৎস ব্যৱহাৰ কৰে।
- নমুনাভিত্তিক অধ্যয়নত প্রাথমিক তথ্য সংগ্রহৰ বাবে প্রধানকৈ দুই ধৰণৰ পদ্ধতি ব্যৱহাৰ কৰা হয়-সাক্ষাৎকাৰ আৰু পর্যৱেক্ষণ।
- নমুনাভিত্তিক অধ্যয়নত কোনো এক নির্দিষ্ট ব্যক্তি, সমূহ, ঘটনা বা সম্প্রদায়ৰ বিষয়ে ভিতৰুৱা তথ্য আহৰণত গুৰুত্ব প্রদান কৰা হয়।
- ইয়াৰ দ্বাৰা এক নির্দিষ্ট সময়সীমাৰ ভিতৰত এক নির্দিষ্ট বিষয়ৰ ক্রিয়াৰ আঁৰৰ কাৰণ নির্ধাৰণ কৰিবলৈ চেষ্টা চলোৱা হয়।
- নমুনাভিত্তিক অধ্যয়নে গৱেষকক নিজৰ গৱেষণাৰ সমস্যাৰ সৈতে জৰিত হোৱাৰ সুযোগ প্রদান কৰে। এয়া হৈছে গভীৰতালৈ সোমাই কৰা বিশ্লেষণ আৰু ইয়াৰদ্বাৰা গৱেষকে এক বিষয়ৰ সৰলীকৰণ কৰি ইয়াৰ পটভূমি বুজিবলৈ সক্ষম হয়।